**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ অভিযানে অতি দ্রুতভাৱে দেশজুৰি গতি লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাতত প্ৰকাশ কৰিছে।

২। মধ্য নেপালৰ বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৩৪ লৈ বৃদ্ধি পাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তাচখণ্ডত উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শ্বাভকাট মিৰ্জিঅ'য়েভৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হৈছে।

৪। মিজোৰামৰ খেলুৱৈ লাল্লিয়ানজুৱালা চাংগতেক ২০২৬ বৰ্ষৰ ভাৰতীয় ফুটবল খেলুৱৈ সন্মানেৰে সন্মানিত কৰা হৈছে। *আৰু*

৫। ২০২৬ বৰ্ষৰ পুৰুষৰ এফ আই এইচ হকী বিশ্বকাপ প্ৰতিযোগিতাৰ ফাইনেলত যোৱাবাৰৰ ছেম্পিয়ন জাৰ্মানী- স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ অভিযানে অতি দ্রুতভাৱে দেশজুৰি গতি লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ ১৩৭ সংখ্যক মন কী বাতত নিজৰ মনৰ ভাৱ ব্যক্ত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে নিচামুক্ত যুৱক আৰু এখন নিচামুক্ত ভাৰতৰ লক্ষ্যৰে আৰম্ভ কৰা এই অভিযান আনুষ্ঠানিকতা নহৈ ভালেসংখ্যক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতৰ যুৱক-যুৱতীসকলৰ সুস্বাস্থ্য, সুখ আৰু উজ্বল ভৱিষ্যতৰ বাবে এয়া এটা সামুহিক সংকল্প।

বাইট-মোদী নিচামুক্ত

প্ৰধানমন্ত্ৰীয়ে কয়, যে মাদক দ্ৰব্যৰ আসক্তিয়ে কেৱল এজন ব্যক্তিক ধবংস কৰাই নহয়, বৰঞ্চ একোটা পৰিয়াল তথা সমাজে ইয়াৰ পৰিণাম ভূগিব লাগে। তেওঁ মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰা আৰু মাদক দ্ৰব্যত আসক্ত লোকক সহায়ৰ বাবে আগবাঢ়ি অহা সকলৰ প্ৰশংসা কৰে। শ্ৰীমোদীয়ে এখন নিচামুক্ত ভাৰত গঢ়াৰ বাবে শক্তিশালী শ্লোগান উলিয়াবলৈ আৰু যুৱ সংগীতজ্ঞসকলক নিচামুক্ত জীৱনৰ বাৰ্তা কঢ়িওৱা গীত সৃষ্টি কৰিবলৈ আহ্বান জনায়। দেশত উৎকৃষ্ট কণ্টেণ্ট ক্ৰিয়েটৰৰ অভাৱ নাই বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই ক্ষেত্ৰত সমাজক সহায়ৰ বাবে আগবাঢ়ি আহি বিভিন ভাষাত কণ্টেণ্ট প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। তেওঁলোকে নিজৰ সৃষ্টিশীলতা সমাজ পৰিৱৰ্তনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পাৰে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

বাইট- মোদী য়ুথ

পি এম স্বনিধি যোজনাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই আঁচনিৰ জৰিয়তে লাখ লাখ মহিলাই নতুন শক্তি লাভ কৰিছে। মহিলা সৱলিকৰণৰ এই দিশটো সততে আলোচনা কৰা নহয় বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে দেশৰ প্ৰায় ৩৫ লাখ মহিলাই আঁচনিৰ সৈতে সংযোজিত হৈ নিজৰ

ব্যৱসায় সম্প্ৰসাৰিত কৰিছে। তেওঁ এই আঁচনিৰ দ্বাৰা উপকৃত হোৱা গাজিয়াবাদৰ ববিতা শৰ্মা আৰু বেংগালুৰুৰ টি এছ্ নিংগাম্মা নামৰ মহিলা দুগৰাকীৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে যেতিয়া এগৰাকী মহিলাৰ ব্যৱসায় বৃদ্ধি হয় তেতিয়া সমগ্ৰ পৰিয়ালটোৰ ভৱিষ্যত সুন্দৰ হোৱাৰ দিশত আগবাঢ়ে, শিশুসকলে উপযুক্ত শিক্ষা লাভ কৰে, ঘৰৰ প্ৰয়োজন পূৰণ হয় আৰু মহিলাগৰাকীৰ আত্মবিশ্বাস শক্তিশালী হয়। এয়া প্ৰকৃততে মহিলা সৱলীকৰণৰ জীৱন্ত উদাহৰণ বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

শ্ৰীমোদীয়ে কয়, যে স্বচ্ছতাৰ এটা উল্লেখনীয় মান আছে। যেতিয়া জনসাধাৰণে কোনো এডোখৰ ঠাই পৰিস্কাৰ কৰি ৰখাৰ বাবে সংকল্পবদ্ধ হয়, তেতিয়া সেই ঠাইত পৰিচয় সম্পূৰ্ণৰূপে সলনি হৈ পৰে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে স্বচ্ছতাৰ দিশত এনে ধৰণৰ প্ৰচেষ্টাই দেশৰ বিভিন্ন অংশত জনসাধাৰণক অনুপ্ৰেৰণা যোগাইছে। এই প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে নদীপাৰকে ধৰি ৰাজহুৱা স্থান পৰিস্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা উত্তৰ প্ৰদেশৰ দুজন যুৱকৰ কথা প্ৰকাশ কৰে। তেওঁ লগতে শ্ৰীঅমৰনাথ যাত্ৰাৰ কথা উল্লেখ কৰি কয়, যে এই যাত্ৰাত ৪০০ মেট্ৰিকটনৰো অধিক আৱৰ্জনা সংগ্ৰহ আৰু নিষ্কাষণ কৰা হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে মিছন শক্তি ছেট পদক্ষেপৰ কথা উল্লেখ কৰি কয়, যে বৰ্তমান সময়ত দেশৰ জিয়ৰীসকলৰ সপোনে পৃথিৱীৰ পৰা মহাকাশৰ বাহিৰলৈ ঢাপলি মেলিছে। মিছন শক্তি ছেট পদক্ষেপৰ জৰিয়তে ১০৮ খন দেশৰ ১২ হাজাৰ ছাত্ৰীয়ে উদ্ভাৱনৰ ক্ষেত্ৰত ছেটেলাইট প্ৰযুক্তিৰ বিষয়ে শিকাৰ সুযোগ লাভ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। ০০০০

০০০০০০০

মধ্য নেপালৰ বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৩৪ লৈ বৃদ্ধি পাইছে। এই দুৰ্যোগত কমেও দুহেজাৰ পাচশ লোক এতিয়াও সন্ধানহীন হৈ আছে। বানত ক্ষতিগ্ৰস্ত আঠোখন জিলাৰ পৰা মৃতদেহ উদ্ধাৰ কৰাৰ লগতে বিভিন্ন ঠাইত আৱদ্ধ হৈ পৰা আৰু সন্ধানহীন হোৱা লোকসকলক উদ্ধাৰৰ বাবে উদ্ধাৰকাৰী বাহিনীয়ে পূৰ্ণগতিত অভিযান অব্যাহত ৰাখিছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ আশংকা হ্ৰাস আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা মতে বৰ্তমানলৈকে চিটৱান জিলাৰ পৰা ২৫৯ টা, নাৱালপাৰাচি পূব জিলাৰ পৰা ১৮৪ টা, নাৱালপাৰাচি পশ্চিম জিলাৰ পৰা ৮২ টা আৰু গোৰখা জিলাৰ পৰা ৫৮ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। একেদৰে নোৱাকটৰ পৰা ৫২ টা, ধাদিঙৰ পৰা ৫০ টা, টানাহুৰ পৰা ৩৬ টা আৰু ৰাছোৱাৰ পৰা ১৩ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। প্ৰাধিকৰণৰ সূত্ৰত প্ৰকাশ পোৱা মতে ৮৫ জন নিৰাপত্তাবাহিনীৰ লোক আৰু ৩২০ জন বিদেশী নাগৰিককে ধৰি দুহেজাৰ ৪৯৮ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী বাহিনীয়ে ক্ষতিগ্ৰস্ত জিলাসমূহৰ পৰা ২২৭ জন বিদেশী নাগৰিককে ধৰি ৮ হাজাৰ ১৮৬ জন লোকক উদ্ধাৰ কৰিছে।

ইপিনে, নেপাল চৰকাৰে ভোটে কুশি নদীত পুনৰ বানৰ আশংকা কৰি সতৰ্কতা জাৰি কৰিছে। তদুপৰি নৈপৰীয়া লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ভোটে কুশি নদীত জলস্তৰ বৃদ্ধি হোৱাৰ তথ্য প্ৰকাশ কৰিছে।

ইপিনে, বৈদেশিক পৰিক্ৰমাৰ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে নেপালৰ বানৰ পাছত বৰ্তমানলৈকে ১০৮ জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে পূৰ্বে সন্ধানহীন হৈ থকা প্ৰায় ৫০ জন ভাৰতীয় লোকৰ সৈতে যোগাযোগ কৰিব পৰা গৈছে। মন্ত্ৰালয়ে উল্লেখ কৰা মতে, এতিয়াও ২৭৫ জন ভাৰতীয় লোক সন্ধানহীন হৈ থকাৰ লগতে প্ৰায় ১২৮ জন প্ৰৱাসী ভাৰতীয়ৰ কোনো সন্ধান পোৱা হোৱা নাই। নেপাল চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰা মতে, বিগত দুদিনত ৫৯৮ জন ভাৰতীয় লোকে চীনৰ পৰা

নেপালত প্ৰৱেশ কৰিছে। ইপিনে, চীনৰ ফালে থকা ৯০০ ভাৰতীয় লোক সম্প্ৰতি নিৰাপদে আছে আৰু বেইজিঙত থকা ভাৰতীয় দূতাবাসে তেওঁলোকৰ সৈতে প্ৰত্যক্ষ যোগাযোগ ৰক্ষা কৰিছে।

ভাৰতে বানত ক্ষতিগ্ৰস্ত নেপালত উদ্ধাৰ আৰু সাহায্য অভিযানত নিৰন্তৰ সমৰ্থন যোগাই আহিছে। এঘাৰ টন সাহায্য সামগ্ৰী কঢ়িয়াই নিয়া চতুৰ্থখন  বিমান আজি কাঠমাণ্ডুত উপস্থিত হয়। ইয়াৰ পূৰ্বে ভাৰতে ৩ খন বিমানত ৫৭ টনৰো অধিক তাৎক্ষণিক সাহায্য সামগ্ৰী দেশখনলৈ প্ৰেৰণ কৰিছিল। ০০০

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তাচখণ্ডত উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শ্বাভকাট মিৰ্জিঅ'য়েভৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হৈছে। ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত বৈঠকত দুয়োগৰাকী নেতাই  দেশ দুখনৰ মাজৰ বাণিজ্য-বিনিয়োগ, ডিজিটেল যোগাযোগ, প্ৰতিৰক্ষা, শক্তি আদি বিভিন্ন ক্ষেত্ৰত থকা সহযোগিতাৰ পৰ্যালোচনা কৰে। দেশ দুখনৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি প্ৰথমে উজবেকিস্তান যোগ ফেডাৰেছনে আয়োজন কৰা যোগৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তাৰ পিছত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ভৱনত উপস্থিত হয়। ৰাষ্ট্ৰপতি ভৱনত শ্ৰীমোদীক বিপুল আদৰণি জনোৱা হয়।

০০০০০০০

মিজোৰামৰ খেলুৱৈ লাল্লিয়ানজুৱালা চাংগতেক ২০২৬ বৰ্ষৰ ভাৰতীয় ফুটবল খেলুৱৈ সন্মানেৰে সন্মানিত কৰা হৈছে। কালি অনুষ্ঠিত এটা অনুষ্ঠানত কিংবদন্তি ফুটবল খেলুৱৈ বাইচং ভূটিয়াই ২৯ বছৰীয়া চাংগতেক এই পুৰস্কাৰ প্ৰদান কৰে। মুম্বাইৰ ফুটবল ক্লাবৰ হৈ খেলা শ্ৰীচাংগতে শেহতীয়াকৈ মোহন বাগান ফুটবল দলত অন্তৰ্ভুক্ত হৈছে। খেলুৱৈগৰাকী ২০২৩-২৪ বৰ্ষতো শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ অৰ্জন কৰিছিল। মিজোৰামৰ মুখ্যমন্ত্ৰী লাল দুহোমাই খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে। মিজোৰাম ফুটবল সংস্থাই তেওঁৰ এই কৃতীত্ব ৰাজ্যখনৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি উল্লেখ কৰি কয়, যে তেওঁৰ এই সফলতাই ৰাজ্যখনৰ যুৱ ফুটবল খেলুৱৈসকলক অনুপ্ৰেৰণা যোগাব।

০০০০০০০

২০২৬ বৰ্ষৰ পুৰুষৰ এফ আই এইচ হকী বিশ্বকাপ প্ৰতিযোগিতাৰ ফাইনেলত যোৱাবাৰৰ ছেম্পিয়ন জাৰ্মানী- স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বেলজিয়ামৰ ৱেভ্ৰেৰ বেলিফিউচ হকী ষ্টেডিয়ামত আজি  ভাৰতীয় সময় অনুসৰি নিশা আঠ বজাত খেলখন আৰম্ভ হ'ব। যোৱাবাৰৰ ছেম্পিয়ন জাৰ্মানীয়ে চতুৰ্থবাৰৰ বাবে খিতাপ অৰ্জন কৰাৰ আপ্ৰান চেষ্টা চলাব। আনহাতে, স্পেইনে এই বিশ্বকাপ হকী প্ৰতিযোগিতাৰ  খিতাপ দখলৰ বাবে নিজৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াব।

ইপিনে, মহিলাৰ এফ আই এইচ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত কালি আৰ্জেণ্টিনাই নেডাৰলেণ্ডক ৩-১ গলত পৰাস্ত কৰে। দুয়োটা দলে এটাকৈ গল কৰাৰ পাছত পেনাল্টি শ্বুটআউটৰ সহায়ত আৰ্জেণ্টিনাই চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰে।

০০০০০০০

সমাপ্ত